## ৰাষ্ট্ৰীয় ভোটাৰ দিন পালনৰ সজাগতা সভা, ওদালগুৰি জিলা

ওদালগুৰি জিলাৰ উপায়ুক্ত, শ্ৰী থানেশ্বৰ মালাকৰ মহোদয়ৰ সভাপতিত্বত ইং ২৪/১২/২০১০ তাৰিখে উপায়ুক্ত কাৰ্য্যালয়ৰ সভাকক্ষত, আগন্তক বিধান সভা সমষ্টিৰ নিৰ্ব্বাচন আৰু ৰাষ্ট্ৰীয় ভোটাৰ দিবস উপলক্ষে পৰ্য্যালোচনা কৰা হয় । সভাত উপস্হিত ERO / AERO / All Heads of Deptt. / NGO / ছাত্ৰ সংগঠন আৰু সাংবাদিক সকলক, ভোটাৰ সকলে ভোটদান কৰা আৰু ১০০% যোগ্য ব্যক্তিক ভোটাৰ তালিকাত নাম সন্নিবিষ্ট কৰা সম্পৰ্কত জাগৰণ সৃষ্টি কৰিবলৈ উপায়ুক্ত মহোদয়ে অনুৰোধ জনায় । এই সম্পৰ্কত ইং ১৯/০১/২০১১ তাৰিখৰ পৰা ২৪/০১/২০১১ তাৰিখলৈ চাইকেল ৰেলি, ৰচনা প্ৰতিযোগিতা দৰে কাৰ্য্যসূচী হাতত লবলৈ সকলোকে অনুৰোধ জনায় । লগতে ইং ২৫/০১/২০১১ তাৰিখে ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ (National Voters Day) জৰিয়তে সকলো ভোটাৰক ভোটাৰৰ সংকল্প পালন কৰিবলৈ অনুৰোধ জনায় ।







## ৰাষ্ট্ৰীয় ভোটাৰ দিৱস

ভাৰতৰ নিৰ্ব্বাচন আয়োগে অহা ২৫ জানুৱাৰী (২০১১) তাৰিখটো সমগ্ৰ ভাৰতবৰ্ষতে ৰাষ্ট্ৰীয় ভোটাৰ দিবস (National Voters Day) হিচাবে ঘোষনা কৰিছে | নিৰ্ব্বাচন আয়োগৰ নিৰ্দেশ ক্ৰমে ওদালগুৰি জিলাতো, ৰাজহ চক্ৰ, খন্ড উন্নয়ন পয্যায়ত আৰু আঞ্চলিক ভিত্তিত এই দিৱস পালনৰ অৰ্থে, চাইকেল ৰেলি, মাৰাথন দৌৰ, ৰচনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতা, নাচ-নাটক আদিৰ আয়োজন কৰা হৈছে | প্ৰথম বাৰৰ বাবে ১৮ বছৰৰ বয়সৰ ভোটাধিকাৰ লাভ কৰা যুবক যুবতী সকলৰ অংশ গ্ৰহণ তথা ১০০% যোগ্য ব্যক্তিৰ ভোটাৰ তালিকাত সন্নিবিষ্ট কৰি ভোট দান কৰাতো যে ৰাষ্ট্ৰীয় কাৰ্য্য, তাৰ সজাগতা অনা আদি, এই দিবসৰ অন্যতম উদ্দেশ্য |

বিতং তথ্যৰ বাবে ওচৰৰ ৰাজহ চক্ৰ কাৰ্য্যালয়, খন্ড উন্নয়ন কাৰ্য্যালয়, জিলা নিৰ্ব্বাচন বিষয়াৰ কাৰ্য্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হল |

আহক আমি সকলোৱে ৰাষ্ট্ৰীয় ভোটাৰ দিৱসত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্য সফল কৰো |